**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-08-2024 **Time :** 0900 Hrs

***Assamese Morning Bulletin***

## HEADLINES

১। ৰাজ্যত বাল্য বিবাহৰ বিৰুদ্ধে নৱেম্বৰৰ পৰা ডিচেম্বৰৰ ভিতৰত পুনৰ অসম আৰক্ষীৰ অভিযান।

২। চলিত মাহৰ ভিতৰতে বান পীড়িতক পুনৰ সংস্থাপন অনুদান প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৩। পাছপ'ৰ্ট অবিহনে কোনো লোককে বাংলাদেশৰ পৰা ভাৰতত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব বুলি মুখ্যমন্ত্ৰীৰ প্ৰকাশ। সীমান্ত সুৰক্ষাৰ বাবে ধুবুৰী, কাছাৰ আদি সীমান্তৱৰ্তী জিলাৰ আৰক্ষীক অধিক সক্ৰিয় হ'বলৈ আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙৰ নিৰ্দেশ।

৪। বিজেপি ত্যাগ কৰা জ্যেষ্ঠ নেতা তথা নলবাৰীৰ প্ৰাক্তন বিধায়ক অশোক শৰ্মাৰ আজি আনুষ্ঠানিকভাৱে কংগ্ৰেছত যোগদান। ***আৰু***

৫। পেৰিছ অলিম্পিকত ভাৰতৰ নীৰজ চোপ্ৰাৰ জেভলীন নিক্ষেপত ৰূপৰ পদক অৰ্জন। আজি মল্লযুদ্ধত অমন শ্বেৰাৱট পুৱেৰ্টো ৰিকোৰ বিৰুদ্ধে ব্ৰঞ্জৰ পদকৰ যুঁজত অৱতীৰ্ণ।

০০০০০০০

ছাত্ৰী সৰলীকৰণৰ জৰিয়তে সামাজিক উত্তৰণৰ সুদূৰপ্ৰসাৰী লক্ষ্য আগত লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি গুৱাহাটীৰ লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী নিযুত মইনা নামৰ আঁচনিখন আনুষ্ঠানিকভাৱে মুকলি কৰে। আঁচনিখন উদ্বোধন কৰি মুখ্যমন্ত্ৰী শৰ্মাই কয় যে, বাল্য বিবাহ ৰোধ কৰাই এই আঁচনিৰ মূল লক্ষ্য। বাল্য বিবাহ ৰোধৰ যুঁজখনত বৃত্তিগত শিক্ষাও এটা সমল বুলি উল্লেখ কৰি তেওঁ কয় যে, এনে শিক্ষাৰে কন্যাসকলক শিক্ষিত কৰিব পাৰিলে নিশ্চিত কৰ্মসংস্থাপন লাভ কৰিব বুলি পিতৃ-মাতৃসকল পতিয়ন যাব আৰু নিজ সন্তানৰ শিক্ষা অব্যাহত ৰাখিবলৈ প্ৰেৰণা দিব। এই উদ্দেশ্য আগত ৰাখিয়ে নিযুত মইনা আঁচনিখন গ্ৰহণ কৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে লগতে অহা নৱেম্বৰৰ পৰা ডিচেম্বৰৰ ভিতৰতে অসম আৰক্ষীয়ে বাল্য বিবাহৰ বিৰুদ্ধে পুনৰবাৰ অভিযান চলাব বুলি সদৰি কৰে। তেওঁ কয় যে, ২০১৯-২১ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষা অনুসৰি অসমৰ ৩১ শতাংশৰো অধিক কন্যাই ২০ৰ পৰা ২৪ বছৰ বয়সতে মাতৃত্বৰ অধিকাৰী হয়। অৰ্থাৎ এইসকল কন্যাই ১৮ বছৰ পূৰ্ণ কৰাৰ আগেয়ে বিবাহপাশত আবদ্ধ হ'বলগীয়া হয় আৰু শিক্ষা লাভৰ পৰা বঞ্চিত হয়। তেওঁ লগতে কয় যে, দক্ষিণ শালমাৰা ধুবুৰী আদি জিলাত ৫০ শতাংশৰো অধিক কন্যাই ১৮ বছৰ বয়সতে বিবাহপাশত আবদ্ধ হোৱাৰ তথ্য বিভিন্ন সমীক্ষাত প্ৰকাশ পাইছে। আনকি বহু সময়ত ১২-১৩ বছৰ বয়সতে মাতৃত্বক আকোৱালি লোৱাৰ তথ্যও পোহৰলৈ আহিছে। ৰাজ্য চৰকাৰে কঠোৰ আইন প্ৰণয়নৰ জৰিয়তে বাল্য বিবাহ ৰোধৰ ব্যৱস্থা গ্ৰহণ কৰিছে যদিও এই ক্ষেত্ৰত শিক্ষাইহে সবাতোকৈ ডাঙৰ সমল হিচাপে পৰিগণিত হ'ব বুলি তেওঁ কয়।

০০০০০০০০

নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ কেইবা ঠাইতো পুনৰ বান পৰিস্থিতিয়ে ভয়াবহ ৰূপ ধাৰণ কৰিব পাৰে বুলি আশংকা কৰা হৈছে। চুবুৰীয়া ৰাজ্য মণিপুৰত বিগত দুদিন ধৰি হোৱা ধাৰাষাৰ বৃষ্টিপাতৰ ফলত বৰাক নৈৰ জলস্তৰ বৃদ্ধি পাবলৈ ধৰিছে। বছৰটোত এয়া চতুৰ্থবাৰৰ বাবে বৰাক নৈৰ জলপৃষ্ঠই বিপদ সীমা অতিক্ৰম কৰিছে। জানিব পৰা মতে বৰাকৰ জলস্তৰ ঘণ্টাত তিনি চেণ্টিমিটাৰকৈ বৃদ্ধি পাইছে। ফলস্বৰূপে কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দি জিলাৰ বিস্তৃৰ্ণ অঞ্চল পুনৰ প্লাবিত হোৱাৰ আশংকাৰ কৰা হৈছে।

ইপিনে গোলাঘাট জিলাৰ মাজেৰে বৈ যোৱা দৈয়াং নৈৰ উৎসত নীপকোৰ নাগালেণ্ডস্থিত দৈয়াং জলবিদ্যুত প্ৰকল্পৰ চাৰিখনকৈ গেটেৰে অতিৰিক্ত পানী এৰি দিয়াৰ ফলত দৈয়াঙৰ লগতে ধনশিৰি নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত

জিলাখনৰ বিভিন্ন অঞ্চল পানীত বুৰ গৈছে। গোলাঘাট জিলা প্ৰশাসনৰ সূত্ৰ অনুসৰি জিলাখনৰ গমাৰিমূৰি অঞ্চলৰ সোণালীপথাৰ, চিতলমাৰী, দৈমুগুৰী আদি অঞ্চল বানৰ কবলত পৰিছে।

ডিব্ৰুগড় জিলাৰ খোৱাং সমষ্টিৰ নতুন বলাই আৰু পুৰণি বলাই অঞ্চলতো সম্প্ৰতি বুঢ়ীদিহিং নৈৰ খহনীয়াই আতংকৰ সৃষ্টি কৰিছে। জিলাখনৰ কোটোহা নাওজান, লেপেটকটা আদিকে ধৰি বিভিন্ন অঞ্চল বানত বুৰ গৈছে।

ইপিনে কোকৰাঝাৰৰ পাটগাঁৱতো ছেৰমাংগা নদীৰ খহনীয়াই কালৰূপ ধাৰণ কৰিছে। চুবুৰীয়া দেশ ভূটানৰ পৰা বৈ অহা ছেৰমাংগা নদীয়ে নিউ বাংলাঝৰা আৰু পশ্চিম বাংলাঝৰা গাঁৱৰ অৰ্ধশতাধিক ঘৰ বুৰাই পেলোৱাৰ লগতে গাঁওখনৰ একমাত্ৰ শিক্ষানুষ্ঠানখনৰ ছেৰমাংগাত জাহ যোৱাৰ উপক্ৰম হৈছে।

০০০০০০০

ৰাজ্যৰ শেহতীয়া বানত ক্ষতিগ্ৰস্ত লোকসকলক ক্ষতিপূৰণ দিয়াৰ লগতে পুনৰ সংস্থাপন নিশ্চিতকৰণ প্ৰক্ৰিয়াৰ বুজ ল'বলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি বানপীড়িত জিলাসমূহৰ অভিভাৱক মন্ত্ৰী তথা জিলা আয়ুক্তসকলৰ সৈতে ভিডিঅ' কনফাৰেঞ্চযোগে এখন বৈঠকত মিলিত হয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে বানপীড়িত লোকসকলক ক্ষতিপূৰণ দিয়াৰ প্ৰক্ৰিয়া খৰতকীয়া কৰাৰ লগতে এইবাৰৰ বানত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক চলিত মাহৰ ভিতৰতে দুৰ্যোগ ব্যৱস্থাপনা বিধিৰ নিয়মানুসৰি ক্ষতিপূৰণ দিব পৰাকৈ প্ৰয়োজনীয় কাৰ্য ব্যৱস্থা ক্ষিপ্ৰতাৰে গ্ৰহণ কৰিবৰ বাবে আয়ুক্তসকলক নিৰ্দেশ দিয়ে। বৈঠকত কেবিনেট মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে বৰপেটা, মাজুলী আৰু শিৱসাগৰ জিলাৰ অভিভাৱক মন্ত্ৰীৰূপে অংশগ্ৰহণ কৰে। আনহাতে, মন্ত্ৰী অজন্তা নেওগ, অতুল বৰা আৰু কেশৱ মহন্তইও গোলাঘাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা এই বৈঠকত ভিডিঅ' কনফাৰেঞ্চ যোগে অংশগ্ৰহণ কৰে।

০০০০০০০

গুৱাহাটীস্থিত লোকসেৱা ভৱনত আজি বিয়লি ৩ বজাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কেবিনেট বৈঠক অনুষ্ঠিত হ'ব। বৈঠকৰ পাছতে ভৱনৰ মিডিয়া হলত এখন সংবাদ মেলৰ আয়োজন কৰা হৈছে। আজিৰ বৈঠকত কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণৰ সম্ভাৱনা আছে।

০০০০০০০

চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ অশান্ত পৰিস্থিতি আৰু ভাৰতৰ সীমাসুৰক্ষা সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া ব্যক্ত কৰি কয় যে, কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ অনুযায়ী ভাৰত-বাংলাদেশ সীমান্ত সম্প্ৰতি বন্ধ কৰি ৰখা হৈছে। মুখ্যমন্ত্ৰীয়ে কালি সংবাদ মাধ্যমৰ আগত এই বিষয়ে অৱগত কৰি কয় যে, কেৱল পাছপ'ৰ্ট থকা শিক্ষাৰ্থীয়েহে বাংলাদেশৰ পৰা ভাৰতলৈ আহিব পাৰিব। পাছপ'ৰ্ট অবিহনে কোনো লোককে বাংলাদেশৰ পৰা ভাৰতত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব বুলি তেওঁ স্পষ্ট কৰি দিয়ে।

ইপিনে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙে কয় যে অসম আৰক্ষীয়ে বাংলাদেশৰ শেহতীয়া পৰিস্থিতি পৰ্যালোচনা কৰি আছে। ইয়াৰ অংশ হিচাপে সীমান্তত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰাৰ লগতে সীমান্ত সুৰক্ষা বাহিনীও সক্ৰিয় হৈ থকা বুলি তেওঁ উল্লেখ কৰে। তদুপৰি বাংলাদেশৰ পৰা যাতে কোনো লোক অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰিব নোৱাৰে তাৰ বাবে অসম আৰক্ষীয়ে দৃষ্টি ৰাখিছে বুলি উল্লেখ কৰি তেওঁ কয় যে ধুবুৰী, কাছাৰ, দক্ষিণ শালমাৰা মানকাচৰ আদি সীমান্তৱৰ্তী জিলাৰ আৰক্ষী অধীক্ষকসকলক অধিক সক্ৰিয় হ'বলৈ নিৰ্দেশ দিয়া হৈছে। আৰক্ষী সঞ্চালক প্ৰধানগৰাকীৰ লগতে যিকোনো ধৰণৰ সম্ভাব্য কূটাঘাত ৰোধ কৰিবলৈ নিৰাপত্তাৰক্ষীসকলক সাজু হৈ থাকিবলৈ আহ্বান জনায়।

০০০০০০০০০

ন'বেল ব'টা প্ৰাপক মহম্মদ ইউনুছে বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুৰব্বী হিচাপে শপতগ্ৰহণ কৰিছে। ৰাষ্ট্ৰপতি মহম্মদ শ্বাহাবুদ্দিনে যোৱানিশা ঢাকাৰ বংগ ভৱনত তেওঁক শপতবাক্য পাঠ কৰোৱায়। অনুষ্ঠানত বিভিন্ন দেশৰ কূটনীতিবিদ উপস্থিত থাকে। ১৯৪০ চনৰ ২৮ জুনত জন্মগ্ৰহণ কৰা মহম্মদ ইউনুছ বাংলাদেশৰ এগৰাকী প্ৰসিদ্ধ উদ্যমী,

বেংক বিষয়া আৰু অৰ্থনীতিবিদ। গ্ৰামীণ বেংকৰ প্ৰতিষ্ঠা আৰু ক্ষুদ্ৰ ঋণ আৰু বিত্তীয় যোগানৰ অৱধাৰণা আগুৱাই নিয়াৰ বাবে তেওঁক ২০০৬ বৰ্ষত শান্তিৰ নবেল বঁটাৰে সন্মানিত কৰা হৈছিল।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বাংলাদেশত নতুন দায়িত্ব গ্ৰহণ কৰাৰ বাবে মহম্মদ ইউনুছক অভিনন্দন জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যম যোগে বাংলাদেশত হিন্দু আৰু অন্য সংখ্যালঘু সম্প্ৰদায়ৰ সুৰক্ষা সুনিশ্চিত কৰি শীঘ্ৰে স্বাভাৱিক অৱস্থা ঘূৰি আহিব বুলি আশা প্ৰকাশ কৰে। তেওঁ কয় যে শান্তি, সুৰক্ষা আৰু বিকাশৰ বাবে দুয়োখন দেশৰ জনসাধাৰণৰ উমৈহতীয়া আশা-আকাংক্ষা পূৰণ কৰাৰ অৰ্থে বাংলাদেশৰ সৈতে কাম কৰিবলৈ ভাৰত সদায়ে বদ্ধপৰিকৰ।

০০০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সমাগত স্বাধীনতা দিৱস যথাবিহীত কাৰ্যসূচীৰে ৰূপায়ণ কৰাৰ লগতে **হৰ ঘৰ তিৰংগা** কাৰ্যসূচীও উৎসৱমুখৰ পৰিৱেশেৰে ৰূপায়ণ কৰিবলৈ জিলা আয়ুক্তসকলক নিৰ্দেশ দিছে। ৰাজ্যৰ বিভিন্ন আত্মসহায়ক গোট, ভিডিপি, অংগনবাড়ী কৰ্মী, আশা কৰ্মী, ক্ৰীড়া সংগঠন, সাংস্কৃতিক সংগঠন, এন এছ এছ, এন চি চি আদিৰ উপৰি সকলো শ্ৰেণীৰ ৰাইজক সামৰি এই কাৰ্যসূচী উদযাপন কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্তসকলক নিৰ্দেশনা প্ৰদান কৰিছে। আনহাতে এই কাৰ্যসূচীৰ আলোকচিত্ৰ হৰ ঘৰ তিৰংগা পৰ্টেলত আপলোড কৰিবলৈও তেওঁ নিৰ্দেশ দিছে। তেওঁ লগতে জিলাসমূহৰ ৰাজহচক্ৰ, খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যলয়কে ধৰি মুখ্য স্থানসমূহত ত্ৰিৰংগ পতাকা উপলব্ধ হোৱাটো সুনিশ্চিত কৰিবলৈ কয়। অসম ৰাজ্যিক গ্ৰামীন বিকাশ অভিযান আৰু খাদী ব'ৰ্ডক জড়িত কৰি পতাকাসমহূ উপলব্ধ কৰাৰ দিশত ব্যৱস্থা গ্ৰহণ কৰিবলৈ তেওঁ আয়ুক্তসকলক নিৰ্দেশ দিয়ে।

০০০০০০০০০

বিজেপি ত্যাগ কৰা জ্যেষ্ঠ নেতা তথা নলবাৰীৰ প্ৰাক্তন বিধায়ক অশোক শৰ্মাই আজি নলবাৰীৰ ৰাজীৱ ভৱনত আনুষ্ঠানিকভাৱে কংগ্ৰেছ দলত যোগদান কৰিব। জ্যেষ্ঠ নেতাজনক আদৰিবলৈ প্ৰদেশ কংগ্ৰেছে নলবাৰীত বিশাল যোগদান কাৰ্যসূচীৰ আয়োজন কৰিছে। শ্ৰী শৰ্মাৰ উপৰি বিভিন্ন দলৰ কেইবাগৰাকী নেতাক আৰু সমাজৰ বিভিন্ন ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তি এই কাৰ্যসূচীত অংশ লৈ কংগ্ৰেছত যোগদান কৰিব। দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া যোগদান কাৰ্যসূচীত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন বৰা, নিখিল ভাৰত কংগ্ৰেথ কমিটিৰ সম্পাদক বিকাশ উপাধ্যায়, পৃথ্বিৰাজ সাথে, সাংসদ গৌৰৱ গগৈ আৰু ৰকিবুল হুছেইনকে ধৰি দলটোৰ কেইবাগৰাকীও উচ্চ পৰ্যায়ৰ নেতা-কৰ্মীসকল উপস্থিত থাকিব।

ইপিনে বিয়লি ৩ বজাত গুৱাহাটীস্থিত ৰাজীৱ ভৱনত হ'বলগা আন এটা কাৰ্যসূচীত অৱসৰপ্ৰাপ্ত আই পি এছ বিষয়া ব্ৰজেনজিত সিনহাসহ আন কেইবাজনো অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ চৰকাৰী বিষয়াই কংগ্ৰেছ দলত যোগদান কৰিব।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰ চৰাইদেউ মৈদাম সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত খিলঞ্জীয়া তথা জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ আয়ুক্ত সচিব ৰঞ্জন শৰ্মাৰ লগতে পুৰাতত্ব সঞ্চালকালয়ৰ সঞ্চালিকা ড° দীপিৰেখা কৌলি উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাৰ্তা সম্পাদক মানস প্ৰতীম শৰ্মাই।

০০০০০০০

টকিঅ' অলিম্পিকত জেভলীন নিক্ষেপত সোণৰ পদক জয় কৰি চমক সৃষ্টি কৰা ভাৰতৰ নীৰজ চোপ্ৰাই চলিত পেৰিছ্ অলিম্পিকত ৰূপৰ পদক অৰ্জন কৰিছে। যোৱা নিশা অনুষ্ঠিত ফাইনেল ৰাউণ্ডত নীৰজে ৮৯ দশমিক ৪-৫ মিটাৰ জেভলীন নিক্ষেপ কৰি দ্বিতীয় স্থানত থাকে। ইফালে নতুন অভিলেখ গঢ়ি ৯২ দশমিক ৯-৭ মিটাৰলৈ জেভলীন নিক্ষেপ কৰি পাকিস্তানৰ অৰ্শদ নদীমে সোণৰ পদক অৰ্জন কৰে। গ্ৰেনেডাৰ এণ্ডাৰচন পীটাৰে ৮৮ দশমিক ৫-৪ মিটাৰলৈ জেভলীন নিক্ষেপ কৰি ব্ৰঞ্জ লাভ কৰে। উল্লেখযোগ্য যে ক্ৰমাগত দুখন অলিম্পিক পদক জয় কৰি নীৰজে

স্বাধীনতাৰ পাছত **ট্ৰেক এণ্ড ফিল্ডত** এই সফলতা লাভ কৰা প্ৰথম ভাৰতীয় হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। নীৰজ চোপ্ৰা ২০০৮ আৰু ২০১২ৰ অলিম্পিকত ক্ৰমে ব্ৰঞ্জ আৰু ৰূপৰ পদক লাভ কৰা মল্লযোদ্ধা সুশীল কুমাৰৰ পাছত একেৰাহে পদক অৰ্জন কৰা দ্বিতীয়গৰাকী ভাৰতীয় পুৰুষ খেলুৱৈ আৰু সামগ্ৰীকভাৱে দেশৰ তৃতীয়গৰাকী খেলুৱৈৰূপে পৰিগণিত হৈছে। উল্লেখযোগ্য যে, পি ভি সিন্ধুৱেও ৰিঅ' আৰু টকিঅ' অলিম্পিকত একেৰাহে পদক অৰ্জন কৰিছিল।

ইপিনে চলিত পেৰিছ অলিম্পিকত ভাৰতীয় পুৰুষ হকী দলে ব্ৰঞ্জৰ পদক লাভ কৰিছে। যোৱা নিশা হোৱা তৃতীয় স্থান নিৰ্ণয়কাৰী খেলত ভাৰতে প্ৰথমে গল খোৱাৰ পাছত স্পেইনক ২-১ গলৰ ব্যৱধানত পৰাস্ত কৰি ক্ৰমাগত দ্বিতীয়বাৰৰ বাবে অলিম্পিকত পদক লাভ কৰাৰ গৌৰৱ অৰ্জন কৰে। খেলৰ ১৮ মিনিটত মাৰ্ক মিৰালেছৰ গলেৰে স্পেইনে প্ৰথমে অগ্ৰগতি লয়। কিন্তু ভাৰতে শক্তিশালী প্ৰত্যাৱৰ্তন কৰি ৩০ আৰু ৩৩ মিনিটত অধিনায়ক হৰমনপ্ৰীত সিঙে দিয়া দুটা পেনাল্টি কৰ্ণাৰৰ গলৰ সহায়ত খেলখনত জয়লাভ কৰে। উল্লেখযোগ্য যে বিগত টকিঅ' অলিম্পিকতো ভাৰতে ব্ৰঞ্জৰ পদক লাভ কৰিছিল। ভাৰতে অন্তিমবাৰৰ বাবে হকীত ১৯৬৮ আৰু ১৯৭২ চনত ক্ৰমাগত দুখন অলিম্পিকত জয়লাভ কৰিছিল। ইফালে অলিম্পিকত ব্ৰঞ্জ অৰ্জন কৰিয়ে ৩৬ বছৰীয়া ভাৰতীয় দলৰ গল ৰক্ষক শ্ৰীজেশে ১৮ বছৰৰ কেৰিয়াৰৰ অন্ত পেলাই অৱসৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে পেৰিছত পদক জয়ৰ সফলতাৰে ভাৰতীয় পুৰুষ হকী দলে অলিম্পিকৰ ইতিহাসত ৮টা সোণসহ মুঠ ১৩ টা পদক লাভ কৰিছে।

পেৰিছ অলিম্পিকত আজি ভাৰতীয় এথলীটসকলে মল্লযুদ্ধ, এথলেটিকছ আৰু গল্ফত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। মল্লযুদ্ধত অমন শ্বেৰাৱটে পুৰুষৰ ৫৭ কিলোগ্ৰাম ওজন শাখাৰ ফ্ৰী ষ্টাইল শিতানত ব্ৰঞ্জৰ পদকৰ যুঁজত পুৱেৰ্টো ৰিকোৰ প্ৰতিদ্বন্দ্বীৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় অনুসৰি নিশা প্ৰায় ৯ বাজি ৪৫ মিনিটত আৰম্ভ হ'ব। এথলেটিকছত ভাৰতৰ পুৰুষ আৰু মহিলা দলে ফৰ ইনটু ফৰ হাণ্ড্ৰেড মিটাৰ ৰিলে দৌৰত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। পুৰুষ দলটো দিনৰ ২ বাজি ৩৫ মিনিটত হিট টুত অৱতীৰ্ণ হোৱাৰ বিপৰীতে মহিলা ৰিলে দলটো দিনৰ ২ বাজি ১০ মিনিটত হিট টুৰ প্ৰথম ৰাউণ্ডত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। আনহাতে অদিতি অশোক আৰু দীক্ষা দাগৰে গল্ফৰ তৃতীয় ৰাউণ্ডত দেশত প্ৰতিনিধিত্ব কৰিব। তৃতীয় ৰাউণ্ডৰ খেলসমূহ দুপৰীয়া প্ৰায় চাৰে ১২ বজাত আৰম্ভ হ'ব।

০০০০০০

বাংলাদেশৰ অন্তৰ্বৰ্তীকালীন চৰকাৰৰ মুখ্য উপদেষ্টা হিচাপে শপতবাক্য পাঠ কৰা ন'বেল বঁটা বিজয়ী অৰ্থনীতিবিদ ড° মহম্মদ ইউনুছ সম্পৰ্কত **দৈনিক অসম** কাকতে আজি এটা গুৰুত্বপূৰ্ণ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাল্য বিবাহ ৰোধ আৰু কন্যাৰ উচ্চ শিক্ষাৰ হাৰ বৃদ্ধিৰ লক্ষ্যৰে ১০ লাখ ছাত্ৰীক সামৰি মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰা নিযুত মইনা আঁচনি সম্পৰ্কে এটা তথ্য নিৰ্ভৰ বাতৰি **দৈনিক জনমভূমি** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। অলিম্পিকত ভিনেশ ফোগটৰ অযোগ্য ঘোষণাক লৈ দ্বিতীয় দিনাও উত্তাল সংসদ, সংবিধান বিৰোধী বিধেয়কক লৈ সংসদত বিৰোধীৰ প্ৰতিবাদ আদি বিক্ষিপ্ত তথ্যৰে চলিত ৰাজ্যসভাৰ এটা বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। টকিঅ' অলিম্পিকত ভাৰতীয় হকী দলৰ বিজয়ধাৰা অব্যাহত, ১৯৫২ চনৰ পাছত টকিঅ' অলিম্পিকৰ ব্ৰঞ্জৰ পদক লাভৰ জৰিয়তে ক্ৰমাগতভাৱে দুখন অলিম্পিকত হকীত পদক জয়ৰে গঢ়িলে ইতিহাস - এই সন্দৰ্ভত **অসমীয়া খবৰ** কাকতে এটি বাতৰি প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। চুবুৰীয়া দেশ বাংলাদেশত চলি থকা ব্যাপক হিংসাত্মক পৰিস্থিতিৰ মাজতে ভাৰতৰ সীমান্তত সৃষ্টি হোৱা অভাৱনীয় পৰিস্থিতি সন্দৰ্ভত **অসমীয়া প্ৰতিদিন** কাকতে এটি গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ কৰিছে। ৰাজ্যত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী, বিশেষকৈ আলুৰ দাম বৃদ্ধি সন্দৰ্ভত **নিয়মীয়া বাৰ্তা** কাকতে এটা বাতৰি প্ৰকাশ কৰিছে। পশ্চিমবংগৰ ৩৪ বছৰৰ বাওঁমৰ্চা শাসনকালৰ দ্বিতীয় তথা শেষৰজন মুখ্যমন্ত্ৰী বুদ্ধদেৱ ভট্টাচাৰ্যৰ মৃত্যু সন্দৰ্ভত প্ৰয়াত নেতাগৰাকীৰ সামাজিক, ৰাজনৈতিক জীৱনৰ বিভিন্ন তথ্যৰে **আমাৰ অসম** কাকতে এটি বাতৰি প্ৰকাশ কৰিছে। জাপানত সংঘটিত ৭ দশমিক ১ ৰিখটাৰ স্কেলৰ ভূমিকম্পৰ এটা বাতৰি **দি আছাম ট্ৰিবিউন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আজিৰ দিনটোলৈ

গুৱাহাটী আৰু দাঁতি কাষৰীয়া অঞ্চলত প্ৰবল বৰষুণৰ আশংকা কৰি জনসাধাৰণক সতৰ্কতা অৱলম্বন কৰিবলৈ দিয়া জাননী সন্দৰ্ভত এটা বাতৰি **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে - অসমৰ দুগৰাকী বিজ্ঞানীলৈ ৰাষ্ট্ৰীয় সন্মান, দৈয়াং জলবিদ্যুৎ প্ৰকল্পই এৰি দিয়া পানীৰ ফলত প্লাৱিত বিস্তীৰ্ণ কৃষিভূমি, উৎকোচ লৈ গ্ৰেপ্তাৰ ইডিৰ শীৰ্ষ কাৰ্যবাহী, যোৰহাট চিকিৎসা মহাবিদ্যালয়ত কৰ্তব্যৰত মহিলা চিকিৎসকক চিকিৎসক-ছাত্ৰৰ যৌন নিৰ্যাতন, আজি নলবাৰীত কংগ্ৰেছত যোগদান কৰিব অশোক শৰ্মাই ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

00000000

**সমাপ্ত**